প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম

# পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আয়ুক্তালয়ত দেশৰ ৭৪তম স্বাধীনতা দিৱস উদযাপন

**গুৱাহাটী ১৫ আগষ্ট—**ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে গুৱাহাটীৰ পাঞ্জাবাৰী, জুৰিপাৰস্থিত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আয়ুক্তালয়তো চৰকাৰী নীতি-নিৰ্দেশনা মানি আজি দেশৰ ৭৪ তম স্বাধীনতা দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে আয়ুক্তালয়ৰ বিষয়া কৰ্মচাৰীসকলৰ উপস্থিতিত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে বিভাগৰ আয়ুক্ত হেমেন দাসে। ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি সকলোকে স্বাধীনতা দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰি দিয়া ভাষণ প্ৰসঙ্গত শ্ৰীদাসে দেশৰ মুক্তি যুজাৰু, বীৰ শ্বহীদ তথা জাতিৰ পিতা মহাত্মা গান্ধীলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰাৰ লগতে তেখেতসকলৰ ত্যাগ আৰু আত্মবলিদানেৰে স্বাধীনতা অৰ্জন কৰা আমাৰ ভাৰতবৰ্ষৰ সাৰ্বভৌমত্ব, অখণ্ডতা, একতা আৰু প্ৰগতিৰ বাবে সকলোৱে নিজ নিজ ক্ষেত্ৰত দায়বদ্ধতা আৰু নিষ্ঠাৰে সেৱা আগবঢ়াই যাব বুলি আশা প্ৰকাশ কৰে।

*এম আৰ ডি/১৫-৮-২০২০*













